# College Bulletin

Vol- I
Issue :: September 2022

## Lokapriya Gopinath Bordoloi Girls' College, Tezpur : Sonitpur

L.G.B. GIRLS' COLLEGE LIBRARY

35

## অধ্যক্ষৰ মেজৰ পৰা



শোণিতপুৰ জিলাৰ মহিলাৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে শোণিতপুৰ জিলাৰ মহিলাৰ শিক্ষাৰ ক্ষেত্ৰত ১৯৭৯ চনৰ পৰাই অগ্ৰণী ভূমিকা পালন কৰি আহিছে। বৰ্তমান মহাবিদ্যালয়খনত শোণিতপুৰ জিলাৰ বাহিৰেও বিশ্বনাথ,গহপুৰ, ভালুকপুং, টাবাং, অৰুনাচল, ওদালগুৰি ,দৰং , নগাওঁ আদি অঞ্চলৰ ছাত্ৰীয়ে অধ্যয়ন কৰি আছে । মাত্ৰ তিনি গৰাকী ছাত্ৰীৰে শৈক্ষিক যাত্ৰা আৰম্ভ কৰা মহাবিদ্যালয়খনে নানান ঘাত প্ৰতিঘাত অতিক্ৰম কৰি আহি আজিৰ অৱস্থাত উপনীত হৈ নাৰীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত কিঞ্চিত বৰঙনি আগবঢ়াব পাৰিছে বুলি আশা কৰিছোঁ। অসমৰ নাৰীৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰভূত বৰঙণি আগবঢ়াবলৈ আমাৰ বহুখিনি কৰনীয় আছে। মহাবিদ্যালয়ৰ পৰিয়াল তথা শুভাকাংক্ষীসকলৰ দিহা পৰামৰ্শ আৰু সহায় সহযোগিতাই আমাক লক্ষ্যত উপনীত হোৱাত সহায় কৰিব। । বৰ্তমান মহাবিদ্যালয় খনত বাৰশ ছাত্ৰীয়ে অধ্যয়ন কৰি আছে । মহাবিদ্যালয়ৰ অধ্যাপক, অধ্যাপিকাসকলৰ সুপৰিকল্পিত শিক্ষা দানৰ জৰিয়তে ছাত্ৰীসকলৰ বিদ্যায়তনিক দিশত আগবঢ়াই নিয়াৰ লগতে শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনৰ লগতে সামাজিক দিশত পৰিপূৰ্ণ হৈ উঠিব পৰাকৈ গঢ় দিবলৈ চেষ্টা কৰি অহা হৈছে। 'শাৰীৰিক শিক্ষা' আৰু 'ৰাষ্ট্ৰীয় সেৱা আঁচনি'ৰ জৰিয়তে বহুতো ছাত্ৰীয়ে নিজকে বিকশিত কৰিবলৈ সক্ষম হৈছে ।

এইবেলি মহাবিদ্যালয়ৰ তৰফৰ পৰা বুলেটিন প্ৰকাশৰ দিহা কৰা হৈছে অধ্যাপিকা ড° দূৰৱি গোস্বামী আৰু অধ্যাপিকা ড° মৃন্ময়ী গোস্বামীৰ সম্পাদনাত ।আশা কৰিছো বুলেটিন খনৰ জৰিয়তে ছাত্ৰী,অধ্যাপক- অধ্যাপিকা সকলৰ লগতে মহাবিদ্যালয় খনৰ বিভিন্ন দিশ আলোকচিত্ৰৰ মাজেৰে বিকশিত হ'ব। ভৱিষ্যতে আৰু অধিক সুন্দৰ বুলেটিন প্ৰকাশৰ আশাৰে——

ড° তপন কুমাৰ কলিতা
অধ্যক্ষ

## সম্পাদকীয়.........





লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয়ৰ সুদীৰ্ঘ ইতিহাসত পোনপ্ৰথমবাৰৰ বাবে এখন 'বুলেটিন' প্ৰকাশৰ দিহা কৰা হৈছে। এই 'বুলেটিন' প্ৰস্তুতৰ কামত জড়িত হ'বলৈ পাই সুখী হৈছোঁ। 'বুলেটিন'ৰ অসমীয়া পৰিশব্দ হ'ল ঘোষণা পত্ৰ বা ৰাজকীয় খবৰ। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী সকলৰ শৈক্ষিক,মানসিক আৰু শাৰীৰিক বিকাশত অৰিহনা যোগোৱা কৰ্মৰাজি তথা শিক্ষক সকলৰ গৱেষণামূলক আৰু মৌলিক সৃষ্টিৰ বাবে তেওঁলোকৰ প্ৰাপ্ত স্বীকৃতি সমূহৰ খবৰৰে 'বুলেটিন'খন প্ৰস্তুত কৰা হৈছে। পৰৱৰ্তী সময়ত আৰু অধিক তথ্যসমৃদ্ধ ৰূপত 'বুলেটিন'খন প্ৰকাশ হ'ব বুলি আশা কৰিলোঁ। 'বুলেটিন' খন প্ৰস্তুত কৰোঁতে অধ্যক্ষকে ধৰি প্ৰতিটো বিভাগৰ অধ্যাপক-অধ্যাপিকা সকলে কৰা সহযোগিতাৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো। জয়তু লোকপ্ৰিয় গোপীনাথ বৰদলৈ কন্যা মহাবিদ্যালয় ।

ড° দুৱৰি গোস্বামী
ড° মৃন্ময়ী গোস্বামী





## উৰ্চগা

এই সংখ্যাৰ বুলেটিনখন মহাবিদ্যালয়ৰ গীতটিৰ গীতিকাৰ প্ৰয়াত হেমন্ত কুমাৰ বৰুৱা আৰু সুৰকাৰ প্ৰয়াত জ্যোতিৰঞ্জন নাথ দেৱৰ নামত উৰ্চগা কৰা হ'ল।



সম্পাদনা সমিতি

# Editorial Board



Dr. Tapan Kr. Kalita
Principal



Jyotsna Borah
Vic-Principal



Dr. Dubari Goswami
Editor



Dr. Mrinmoyee Goswami
Editor



Dr. Nandita Mandal
Member



Sibani Devi
Member

# College Activities




















